# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-09-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

৪৫২ টা ভোট লাভেৰে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে চি পি ৰাধাকৃষ্ণণক অভিনন্দন জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শ্ৰীৰাধাকৃষ্ণণে দশকজোৰা চহকী অভিজ্ঞতাৰে পুষ্ট ৰাজহুৱা জীৱনে ৰাষ্ট্ৰৰ প্ৰগতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। তেওঁৰ কাৰ্যকাল সফলতাৰে পৰিপূৰ্ণ হোৱাৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে শুভেচ্ছা জ্ঞাপন কৰে। এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছিল। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীগৰাকী উপ-ৰাষ্ট্ৰপতি হিচাপে বিজয়ী হয়।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত দৰং জিলা ভ্ৰমণৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত দৰং মেডিকেল কলেজ চৌহদৰ মূল সভাস্থলী পৰিদৰ্শন কৰি জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। তেওঁ প্ৰধানমন্ত্ৰীগৰাকীৰ সমাগত ভ্ৰমণ সম্পৰ্কীয় বিভিন্ন দিশৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰি সংশ্লিষ্ট সকলো বিভাগক নিয়াৰিকৈ কামসমূহ আগবঢ়াই নিবলৈ যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে সভাত অংশ গ্ৰহণ কৰিবলগীয়া ৰাইজৰ বাবে পৰ্যাপ্ত খোৱাপানীৰ ব্যৱস্থা কৰা, যান-বাহনৰ পাৰ্কিং ব্যৱস্থাপনা, অনাময় ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ সুবিধা আদি পৰ্যাপ্তভাৱে উপলব্ধ কৰাবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰীৰ সভাৰ সময়ছোৱাতো যাতে সভাস্থলীৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে এম্বুলেন্স আদি জৰুৰীকালীন ব্যৱস্থাৰ বাহন নিৰ্বিঘ্নে চলাচল কৰিব পাৰে তাক সুনিশ্চিত কৰিবলৈ তেওঁ যান-বাহন আৰক্ষী আৰু প্ৰশাসনক নিৰ্দেশ দিয়ে। আনহাতে সভাৰ পৰৱৰ্তী দিনটোত সভাস্থলীৰ চৌহদ পৰিষ্কৰণৰ বাবে মঙলদৈ পৌৰ সভাক স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। এই কাৰ্যসূচীত স্বেচ্ছাসেৱী সংগঠনেও সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখযোগ্য যে কেইবালাখ লোকৰ সমাগমেৰে অনুষ্ঠিত হ'বলগীয়া সভাত প্ৰধানমন্ত্ৰীয়ে কেইবাটাও প্ৰকল্পৰ

আধাৰশিলা স্থাপন কৰিব। ১৪ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। ৰিং ৰোড প্ৰকল্পই কামৰূপ মহানগৰ, কামৰূপ, দৰং জিলাৰ উপৰি মেঘালয়ৰ ৰিভ'ই জিলাকো সামৰি ল'ব। আজিৰ এই পৰিদৰ্শন আৰু পৰ্যালোচনাৰ সময়ত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ লগতে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসহ প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত মন্ত্ৰীসভাৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত হিমাচল প্ৰদেশৰ বানৰ কবলত পৰা লোকসকলৰ বাবে মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন ব্যৱস্থা আঁচনিৰ তৰফৰ পৰা হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুজিলৈ ৫ কোটি টকাৰ আৰ্থিক সাহায্যত অনুমোদন জনোৱা হয়। ৰাজ্যিক কেবিনেটে যোৰহাট চিকিৎসা সঞ্চালকালয়, অসম আৰু অসমৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনস্থ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু ফিজিঅ'থেৰাপিষ্ট, পিষ্টথেৰাপিষ্টসকলৰ দৰমহাৰ স্কেলৰ সা সুবিধাসমূহ পুনৰ নিৰ্ধাৰণতো অনুমোদন জনায়।

ooooo

ধেমাজি আৰক্ষীয়ে আজি অভিযান চলাই জিলাখনৰ লেলুৱনি ৰঙাজানৰ পৰা বুজন পৰিমাণৰ ভাং জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। আটক কৰা লোকজনৰ পৰা আৰক্ষীয়ে প্ৰায় ১০ কিলোগ্ৰাম ভাং জব্দ কৰে।

ooooo

যোৰহাট জিলাৰ তিতাবৰৰ চিনামৰাত চি আই এছ এফৰ উদ্যোগত চাইবাৰ সুৰক্ষাৰ সামৰ্থ্যবৰ্দ্ধন সন্দৰ্ভত এটা কাৰ্যসূচী আজি অনুষ্ঠিত হয়। এই অনুষ্ঠানত চি আই এছ এফৰ কমেও ৭০গৰাকী জোৱানে মত বিনিময় কালত চাইবাৰ সুৰক্ষা সম্পৰ্কে অৱগত কৰে। তেওঁলোকে জনসাধাৰণক চাইবাৰ অপৰাধীৰ কবলত নপৰাকৈ কিদৰে নিজৰ কাম-কাজসমূহ কৰিব পাৰি এই বিষয়ে পৰামৰ্শ দিয়ে।

ooooo

কাছাৰ আৰক্ষীয়ে যোৱা ২৪ ঘণ্টাত অভিযান চলাই জিলাখনত দুজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে শিলচৰৰ লিংক ৰোডৰ পৰা পংকজ চৌধুৰী আৰু কালাইনৰ পৰা সুবীৰ চৌধুৰী নামৰ চিকিৎসক দুজনক গ্ৰেপ্তাৰ কৰে। এই লোক দুজনে দীৰ্ঘদিন ধৰি চিকিৎসক হিচাপে সেৱা আগবঢ়াই আহিছিল। যোৱা মাহত আৰক্ষীয়ে ছজন এনে ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে বুলি কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই প্ৰকাশ কৰে। লোক দুজনৰ পৰা ভালেসংখ্যক আপত্তিজনক নথিপত্ৰ জব্দ কৰা হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ